# ব্ৰিটিছ মিউজিয়াম আৰু সংৰক্ষিত আপুৰুগীয়া সম্পদসমূহ

ড° ইভা হাজৰিকা

◆◆

***পৃথিৱীৰ ভিতৰতে অন্যতম পুৰণি আৰু ডাঙৰ এই মিউজিয়ামটোত বিনা পইচাত সাধাৰণ জনসাধাৰণে সোমাই চাব পৰাৰ ব্যৱস্থা আছে। বৰ্তমানলৈকে পঁয়ত্ৰিছ কোটিতকৈও বেছি লোকে ইয়াত প্ৰৱেশ কৰাৰ সৌভাগ্য হৈছে। মিউজিয়ামত মুঠ আঠ নিযুত সম্পদ আছে যদিও আশী হাজাৰ সম্পদহে সাধাৰণ মানুহে চাব পৰাকৈ ব্যৱস্থা কৰি ৰখা হৈছে। আঠ নিযুত সম্পদৰ ভিতৰত দুই নিযুত বছৰ আগৰ সম্পদো সংগৃহীত হৈছে।***

◆◆◆

পৃথিৱীৰ বুৰঞ্জীত ব্ৰিটিছ সাম্ৰাজ্যৰ ইতিহাস মানৱ জাতি থাকে মানে চৰ্চিত বিষয় হৈ থাকিব। এই সাম্ৰাজ্য বিস্তাৰ হৈ যেতিয়া শীৰ্ষ স্থানত উপনীত হৈছিলগৈ তেতিয়া ব্ৰিটিছ সাম্ৰাজ্য 'বেলি নুডুবা দেশ' হিচাপে জনাজাত হৈছিল। ১৯১৩ চনত ব্ৰিটিছ সাম্ৰাজ্যৰ মুঠ জনসংখ্যা আছিল ৪১২ নিযুত। সেই সময়ৰ পৃথিৱীৰ জনসংখ্যা অনুসাৰে ২৩ শতাংশ। ১৯২৫ চনত সাম্ৰাজ্যৰ মুঠ মাটিকালি হৈছিল ৩৫,০০০,০০০ বৰ্গ কিল'মিটাৰ। অৰ্থাৎ পৃথিৱীৰ মুঠ মাটিকালিৰ ২৪ শতাংশ। ব্ৰিটিছ সাম্ৰাজ্যৰ সময়তে ব্ৰিটিছে সাম্ৰাজ্যখনৰ পৰা চপাই-কোঁচাই উল্লেখযোগ্য সম্পদেৰে প্ৰতিষ্ঠা কৰিছিল ব্ৰিটিছ মিউজিয়াম।

আজি লিখিবলৈ লোৱা বিষয়বস্তুটো হৈছে ব্ৰিটিছ মিউজিয়াম আৰু এই মিউজিয়ামৰ সংৰক্ষিত পৃথিৱীৰ আপুৰুগীয়া সম্পদসমূহ। ব্ৰিটিছ সাম্ৰাজ্যখন পৰিচালনা কৰিছিল ইংলেণ্ডৰ লণ্ডনৰ পৰা। ১৭৫৩ চনৰ ৭ জুন তাৰিখে ৰজা দ্বিতীয় জৰ্জৰ অনুমতি সাপেক্ষে পাৰ্লিয়ামেণ্টৰ নীতি অনুসৰি লণ্ডনত ব্ৰিটিছ মিউজিয়াম স্থাপনৰ সিদ্ধান্ত লয়। ১৭৫৯ চনৰ ১৫ জানুৱাৰিত মিউজিয়ামৰ দুৱাৰ মুকলি কৰে। ব্ৰিটিছ সাম্ৰাজ্যৰ সময়তে ব্ৰিটিছ মিউজিয়ামৰ সিংহভাগ সম্পদ সংগ্ৰহ কৰিছিল। ১৭৫৩ চনত ছাৰ হান্স স্ল'ন (Sir Hans Sloane) নামৰ এজন ডাক্তৰে নানান অভিযান চলাই ৭১,০০০ বিধ সম্পদ সংগ্ৰহ কৰিছিল। আয়াৰলেণ্ডত জন্ম গ্ৰহণ কৰা ছাৰ হান্স স্ল'নে জীৱন অতিবাহিত কৰিছিল লণ্ডনত। তেওঁ এজন ডাক্তৰ, প্ৰকৃতিবিদ আৰু অভিযাত্ৰী আছিল। তেওঁ সংগ্ৰহ কৰা ৭১,০০০ বিধ সম্পদৰ ভিতৰত ৪০,০০০খন ছপাগ্ৰন্থ, ৭০০০ পাণ্ডুলিপি, ৩৩৭ বিধ উদ্ভিদ অংশৰ হাৰবেৰিয়াম। তদুপৰি চুজান, ইজিপ্ট, গ্ৰীছ, ৰোম, আমেৰিকাৰ পৰা পৌৰাণিক সামগ্ৰী সংগ্ৰহ কৰে। ১৭৫৩ চনতেই মিউজিয়ামৰ এখন পৰিচালনা আয়োগ গঠন কৰে। ব্ৰিটিছ মিউজিয়ামত থকা আটাইতকৈ পুৰণি সম্পদবিধ হৈছে দুই নিযুত বছৰ আগতে মানুহে নানান কামৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা কাৰিকৰী সম্পদ। মিউজিয়ামটোত মানুহৰ ইতিহাস আৰু মানুহৰ সাংস্কৃতিক ইতিহাসৰ প্ৰামাণিক সম্পদ আছে। বিণ্ডোলাণ্ডা টেবলেটছ (Vindolanda Tablets) মিউজিয়ামটোৰ আটাতকৈ মূল্যৱান সম্পদ বুলি ব্ৰিটিছসকলে ক'ব খোজে। এই বিণ্ডোলাণ্ডা টেবলেটছ হৈছে ব্ৰিটেইনৰ আটাইতকৈ পুৰণি হাতেলিখা লিপিবদ্ধ তথ্য। ৰোমান ব্ৰিটেইনবাসীৰ বিষয়ে কিছু শক্তিশালী তথ্য ইয়াত লিপিবদ্ধ হৈ আছে। পোষ্টকাৰ্ড আকাৰৰ কাঠৰ পাতত কাৰ্বন চিয়াঁহীৰে প্ৰথম আৰু দ্বিতীয় শতিকাতে লিখা হৈছিল। ১০০ চনত এগৰাকীৰ মহিলাই লেটিন ভাষাত লিখা এখন জন্মদিনৰ নিমন্ত্ৰণী পত্ৰ এই বিণ্ডোলাণ্ডা টেবলেটছৰ মাজত পোৱা যায়।

পৃথিৱীৰ ভিতৰতে অন্যতম পুৰণি আৰু ডাঙৰ এই মিউজিয়ামটোত বিনা পইচাত সাধাৰণ জনসাধাৰণে সোমাই চাব পৰাৰ ব্যৱস্থা আছে। বৰ্তমানলৈকে পঁয়ত্ৰিছ কোটিতকৈও বেছি লোকে ইয়াত প্ৰৱেশ কৰাৰ সৌভাগ্য হৈছে। মিউজিয়ামত মুঠ আঠ নিযুত সম্পদ আছে যদিও আশী হাজাৰ সম্পদহে সাধাৰণ মানুহে চাব পৰাকৈ ব্যৱস্থা কৰি ৰখা হৈছে। আঠ নিযুত সম্পদৰ ভিতৰত দুই নিযুত বছৰ আগৰ সম্পদো সংগৃহীত হৈছে। মিউজিয়ামৰ কিছু সম্পদ পৃথিৱীৰ মানুহৰ সন্মুখত প্ৰদৰ্শন কৰিবৰ বাবে দহ বছৰ একৈছখন দেশত ৯২খন আন্তৰ্জাতিক প্ৰদৰ্শনী অনুষ্ঠিত কৰিছিল। এই প্ৰদৰ্শনীসমূহত এক কোটিৰ বেছি মানুহে এই সম্পদসমূহ চোৱাৰ সুবিধা পায়।

১৭৫৯ চনত মণ্টেগু হাউছত (Montagu House) প্ৰথম মিউজিয়াম আৰম্ভ কৰে। এই হাউছ বৰ্তমানৰ মিউজিয়ামটোৰ কাষতে। বৰ্তমানৰ মিউজিয়ামৰ অট্টালিকাৰ ডিজাইন কৰিছিল ছাৰ ৰবাৰ্ট স্মাৰ্কে (Sir Robert Smirke)। তেওঁ খ্ৰিষ্টপূৰ্ব পঞ্চম শতিকাৰ গ্ৰীক প্ৰাৰ্থনা গৃহৰ আৰ্হিত প্ৰস্তুত কৰিছিল। ১৮২৩ চনৰ পৰা ১৮৫০ চনৰ ভিতৰত বহু সাল-সলনিৰ মাজেৰে নিৰ্মাণ কাৰ্য সমাপন কৰে। ইয়াত থকা বিখ্যাত ঘূৰণীয়া অধ্যয়ন কক্ষ নিৰ্মাণ কৰে ১৮৫০ চনত।

১৮৭৯ চনত প্ৰথম ব্ৰিটিছ মিউজিয়ামত ইলেকট্ৰিক লাইটৰ ব্যৱস্থা কৰিছিল। মিউজিয়াম বিষয়ত ১৫খন ফিল্ম প্ৰস্তুত হৈছিল। ফিল্ম জগতত মিউজিয়ামটোৱে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। শুনিলে আচৰিত লাগে যে মিউজিয়ামৰ মূল প্ৰৱেশদ্বাৰত গাৰ্ড হিচাপে এটি মেকুৰীও আছিল ১৯০৯ চনৰ পৰা ১৯২৯ চনলৈকে। মেকুৰীটোৰ নাম আছিল মাইক (Mike)। মেকুৰীটোৱে ইমান গুৰুত্ব পাইছিল যে তাৰ মৃত্যুৰ পাছত বিখ্যাত Evening Standard আৰু Time আলোচনীত ফটোসহ শোকবাৰ্তা প্ৰকাশ হৈ ওলাইছিল।

ব্ৰিটিছ মিউজিয়াম ইংলেণ্ডৰ আটাইতকৈ আকৰ্ষণীয় সম্পদ। বছৰি ৬.৫ নিযুত ভ্ৰমণকাৰীয়ে এই মিউজিয়াম দৰ্শন কৰে। প্ৰায় ৫০,০০০খন ড্ৰয়িং আৰ্ট আছে যি সমূহৰ ভিতৰত আছে লিঅ'নাৰ্ড' ডা ভিঞ্চি, মাইকেল এঞ্জেলো, ভেন গগ, পিকাছো, মাঞ্চ আৰু গ্ৰেছ' পেৰিৰ দ্বাৰা তৈয়াৰী পেইণ্টিঙো। ১৯১১ চনৰ ১৪ অক্টোবৰ তাৰিখে মিউজিয়ামৰ বিভিন্ন ফটোৰ পোষ্টকাৰ্ড বিক্ৰীৰ বাবে অনুমতি দিয়ে। ১৯১২ চনৰ এপ্ৰিল